## গায়ন-বায়ন, আয়তীৰ উৰুলি, ডবা-শংখৰ মংগল ধ্বনিৰে আৰম্ভ ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

# সুধাকণ্ঠৰ ব্ৰঞ্জৰ আৱক্ষ মূৰ্তি উন্মোচন ঃ ১৫১ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

নিয়মীয়া বাৰ্তা, হেলেম, ১ নৱেম্বৰ ঃ পঞ্চাশযোৰা গায়ন-বায়নৰ মংগল বাদ্য আৰু পঞ্চাশগৰাকী আয়তীৰ উৰুলিৰ লগতে ডবা-শংখৰ মংগল ধ্বনিৰে আজি পুৱাৰে পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে আৰম্ভ হৈছে বৃহত্তৰ ছয়দুৱাৰ এলেকা তথা বৰ্তমানৰ গহপুৰ মহকুমাৰ একমাত্ৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী। কাৰ্যসূচী অনুসৰি আজি পুৱা প্ৰায় ৭.৩০ বজাত





গায়ন-বায়ন আৰু আয়তীসকলে মাংগলিক নীতি-নিয়মৰ মাজেৰে সমৱেত ৰাইজৰ লগত গহপুৰ নগৰৰ মাজমজিয়াত অৱস্থিত গহপুৰ বৰপুখুৰীৰ পৰা পৰম্পৰাগত পানী তোলা মাংগলিক কাৰ্য সম্পন্ন কৰাৰ পাছত পুৱা ৮ বজাত সোণালী জয়ন্তীৰ মূল পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ তথা সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি গজেন বৰুৱাই। মূল ১০ পৃষ্ঠাত

# সুধাকণ্ঠৰ ব্ৰঞ্জৰ আবক্ষ মূৰ্তি উন্মোচন ঃ ১৫১ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

পতাকাৰ সমান্তৰালভাৱে গহপুৰৰ ৰাইজৰ হৈ ৫১গৰাকী বিশিষ্ট ব্যক্তিয়ে উত্তোলন কৰে অন্য ৫১খন পতাকা। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত গোহাঞিৰ দ্বাৰা ৰচিত 'আজি আইৰ ওপজা দিন' শীৰ্ষক সোণালী জয়ন্তীৰ শীৰ্ষ গীতটি মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু একাংশ শিক্ষাৰ্থীয়ে পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। পুৱা ৯ বজাত গহপুৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পাছত পুৱা ৯.৩০ বজাত মহাবিদ্যালয়খনৰ চৌহদত গছপুলি ৰোপণ কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত অধ্যক্ষ গজেন বৰুৱা, মণিপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° ইৰম গম্ভীৰ সিং, অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ দত্ত আৰু অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ খগেন গোস্বামীয়ে। আনহাতে পুৱা ১০ বজাৰ পৰা সোণালী জয়ন্তী উপলক্ষে গহপুৰৰ বিধায়ক পুঁজিৰ আঁচনিৰে নিৰ্মাণ কৰা ছাত্ৰ জিৰণি কোঠা তথা ছাত্ৰ সংসদৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰে গহপুৰৰ বিধায়ক উৎপল বৰাই আৰু নৱনিৰ্মিত কেণ্টিনৰ দ্বাৰ উন্মোচন কৰে ড° ইৰম গম্ভীৰ সিঙে। চমু উন্মোচনী ভাষণত ড° সিঙে কয় যে এনেধৰণৰ অত্যাধুনিক কেণ্টিন তথা অতিথিশালাই মহাবিদ্যালয়খনৰ মান আৰু অধিক বৃদ্ধি কৰিব। পুৱা ১১ বজাত মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহৰ সন্মুখত স্থাপন কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ব্ৰঞ্জৰ আবক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰে আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক ড° সূৰ্য দাসে। মনোগ্ৰাহী উন্মোচনী ভাষণত ড° দাসে সুধাকণ্ঠৰ সান্নিধ্যৰ অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে ড° ভূপেন হাজৰিকা এগৰাকী স্বাধীনচেতিয়া আৰু বিপ্লৱী চেতনাসম্পন্ন গণশিল্পী আছিল বুলি মন্তব্য কৰে। উক্ত কাৰ্যসূচীৰ পাছতে পুৱা ১১.৩০ বজাৰ পৰা গ্ৰন্থমেলাৰ লগতে প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। ইপিনে বিয়লি ডেৰ বজাৰ পৰা মূল মণ্ডপত মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত গোহাঞি আৰু অধ্যক্ষ তথা সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ড° অঞ্জন কুমাৰ ওজাৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা সভাত মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত তথা অংশকালীন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলৰ লগতে বিভিন্ন সময়ত মহাবিদ্যালয়খনলৈ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তি, পৰিয়ালবৰ্গৰ উপৰি অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৰ্বমুঠ ১৫১গৰাকী বিশিষ্ট ব্যক্তিক মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা কৃতজ্ঞতাসূচক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ কনক শৰ্মাই উদ্বোধন কৰা সম্বৰ্ধনা সভাখনত বহুসংখ্যক স্থানীয় লোক উপস্থিত থাকে। ইপিনে সন্ধিয়া ৬ বজাৰ পৰা মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ দ্বাৰা সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাইলৈ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত গ্ৰন্থ উন্মোচনী সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে, পুৱা ১১ বজাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত ন্যায়াধীশ কনক শৰ্মাই আৰু সন্ধিয়া ৬ বজাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বি টি এ ডিৰ যুটীয়া সচিব দীনেশ চন্দ্ৰ বড়োৱে।

Scanned with Oken Scanner